# 2015

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়া : ১×১০=১০

(ক) 'কালিয় দমন' নাটকৰ কাহিনীভাগ ক'ৰ পৰা লোৱা হৈছে?

(খ) কালি নাগে ক'ত বাস কৰিছিল?

(গ) 'মহৰী' কোন শ্ৰেণীৰ নাটক?

(ঘ) 'মহৰী' নাটকত মুঠ কেইটা অংক আছে?

(ঙ) 'মহৰী' নাটকখন কোন চনত পুথি ৰূপত প্ৰকাশ পাইছিল?

(চ) মহেন্দ্ৰ বৰঠাকুৰৰ কোনখন নাটকক অসম সাহিত্য সভাই বছৰৰ শ্ৰেষ্ঠ নাটকৰ সন্মান প্ৰদান কৰিছিল?

(ছ) ৰূপাই দা ধৰাক কোনে হত্যা কৰিছিল ?

(জ) কোনজনা স্বৰ্গদেৱে আজান ফকীৰক শ'ৰাগুৰি চাপৰিত ধৰ্ম প্ৰচাৰৰ বাবে মঠ সজাই দিছিল ?

(ঝ) 'এজাক জোনাকীৰ জিলমিল' নাটকৰ প্ৰধান পুৰুষ চৰিত্ৰ এটিৰ নাম লিখা।

(ঞ) 'এজাক জোনাকীৰ জিলমিল' নাটিকাখনিৰ বিষয়বস্তুৰ পটভূমি কি ?

২। অতি চমু উত্তৰ দিয়া : ২×৫=১০

(ক) "লোকে কত হাতী বেচিছে, মই আৰু বটুৰা ঘোঁৰা এটা বেচিব নোৱাৰিমনে ?" কথাষাৰৰ বক্তাজন কোন ? তেওঁ এইদৰে কাক কৈছিল ?

(খ) "আহে কালি সৰ্পৰাজ ঃ তোহো ভয় কৰবি নাহি ঃ"— বক্তাজনে কালি নাগক ক'ত আৰু কিহৰ বাবে ভয় কৰিবলৈ হাক দিছিল ?

(গ) "মৰদকে বাত মৰদ জানে। হামাৰ পইছা হামাকে কাঁহে নাই দিছে।" কথাষাৰৰ বক্তাজন কোন ? তেওঁক কোনে পইচা নিদিয়াৰ কথা কৈছে ?

(ঘ) "মই ভাবিছিলোঁ তোৰ গাত বল আছে, সাহস আছে, তই মৰদৰ বাচ্ছা, কিন্তু এতিয়া বুজিলোঁ তোৰ কলিজা শিয়ালৰ কলিজা। তই এটা নপুংসক।" কথাষাৰৰ বক্তাজন কোন ? তেওঁ কাক উদ্দেশ্য কৰি এইদৰে কৈছে ?

(ঙ) "আঁঠুৱা তলৰ মহৰ স্বাধীনতাৰে তই জীয়াই থাকিবি, আৰু কোনোবা এটা মুহূৰ্তত মৰি থাকিবি।" এইদৰে কোনে, কাক কৈছিল ?





৩। চমুকৈ উত্তৰ দিয়া : ৫×৪=২০

(ক) "তাহে পেখি বলভদ্ৰ 'ৰহ ৰহ' বুলি আগভেটি নিবাৰি বোলল।" ইয়াত বলভদ্ৰই কি দেখাৰ কথা কৈছে ? তেওঁ কাক আগভেটি ধৰি, কি নিবাৰণ কৰিছে, বুজাই লিখা।

(খ) "তহঁতক দিওঁ মানে পেটকে নভৰে। মই জাত-কুল মাৰি যি পাই-পইচা এটি পাওঁ, তহঁতি গুণাই গুণাই লৈ যাৱ।" বক্তাজনৰ উক্ত কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(গ) "যি গৰীৱক মাৰি ধন গোটায়, সিহঁতৰ ধৰম-কৰম নাই। সিহঁত খুন পিয়া, সেইটোৱেই সিহঁতৰ ধৰ্ম।" কথাষাৰ কোনে, কি প্ৰসংগত কৈছে, বুজাই লিখা।

(ঘ) "ছোৱালী মানুহৰ কথা বেলেগ। আঁৰ-বেৰকেইখন ভাল হ'লে সিহঁতে মাটিয়ে-বালিয়ে পৰি থাকিব পাৰে। সিহঁতৰ কথাও বেলেগ, এনেকুৱা আলহীৰ কথাও বেলেগ।" বক্তাজন কোন ? তেওঁ কোন আলহীক উদ্দেশ্য কৰি এইদৰে কৈছিল, বুজাই লিখা।

৪। (ক) 'কালিয় দমন' নাটত 'বনাগ্নি পান'ৰ দৰে এটা উপকাহিনী সংযোজন কৰাত নাটকীয় পৰিসমাপ্তিৰ চমৎকাৰিত্বত বিঘিনি ঘটিছে বুলি তুমি ভাবানে ? যুক্তি দৰ্শাই আলোচনা কৰা। ১০

*অথবা*

কালি নাগৰ চৰিত্ৰটি বিশ্লেষণ কৰা আৰু কালি নাগৰ দুখ দেখি নাগ পত্নীসকলে শ্ৰীকৃষ্ণক কেনেধৰণে স্তুতি কৰিছিল, খৰচি মাৰি লিখা। ৫+৫=১০

(খ) “ ‘মহৰী’ নাটকত হাস্যৰস সৃষ্টিহে নাট্যকাৰৰ ঘাই উদ্দেশ্য, চৰিত্ৰাংকন নহয়।” নাটকীয় ঘটনাৰ আলমত উক্ত কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা। ১০

*অথবা*

‘মহৰী’ নাটকৰ অন্তৰ্গত মিঃ ফক্স আৰু মাকৰী মেমৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা। ৫+৫=১০

(গ) “অসমীয়াৰ তেজত যে হিন্দু-মুছলমান বুলি সংকীৰ্ণ ভেদ-ভাৱ পৰম্পৰাগত ভাৱেই নাই, মাথোন ৰাজনীতিয়ে সেই বীজ সুমুৱাই দিয়ে আজান ফকীৰক আলম কৰি; সেইটোহে আমাৰ প্ৰতিপাদ্য বিষয়।” নাট্যকাৰৰ এই কথাষাৰ ‘শ’ৰাগুৰি চাপৰি’ নাটকৰ মাজেদি কিদৰে দাঙি ধৰা হৈছে, বিচাৰ কৰা। ১০

*অথবা*

“আজান ফকীৰৰ চৰিত্ৰটো অংকন কৰাত নাট্যকাৰে বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰিছে।” এই মন্তব্যৰ যুক্তিযুক্ততা বিচাৰ কৰা। ১০

(ঘ) একাংকিকা নাটক বুলিলে কি বুজা? ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ ‘এজাক জোনাকীৰ জিলমিল’ নাটকখন একাংকিকা বা নাটিকা হিচাপে আলোচনা কৰা। ১০

*অথবা*

‘এজাক জোনাকীৰ জিলমিল’ নাটকৰ বিজুলী আৰু মনোহৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা। ৫+৫=১০

★★★